I/51778/2023

**অসম চৰকাৰ**
**উপায়ুক্তৰ কাৰ্যালয় :: নগাওঁ :: অসম**
**(বিকেন্দ্ৰীকৃত পৰিকল্পনা আৰু উন্নয়ন শাখা)**
**ফোনঃ- ০৩৬৭২-২৩৩১৮৫ (O)/ ২৩৩২২২ / ২৩৩১৯৬ (F)**
**Email : dc-nagaon@nic.in / dcpbranch.nagaon@gmail.com**

## জাননী

নং ই-১৯৩৬২/২০২৩/২০৬ = অসম চৰকাৰৰ বিত্ত বিভাগৰ চিঠি নং- E195901 FD-12017/5/2022-IF-FIN-Finance তাং- ১২-০৭-২০২৩ অনুসাৰে, ইয়াৰ দ্বাৰা জনোৱা হয় যে ইয়াৰ লগত সংলগ্ন কৰা তালিকাখনত সন্নিৱিষ্ট অৰুণোদয় ২.০ ৰ ডি এল এম চি (DLMC) কোটাৰ হিতাধিকাৰীসকলৰ ক্ষেত্ৰত তেওঁলোকে স্বাক্ষৰ কৰি দিব লগীয়া স্ব-ঘোষিত শপতনামা আজি পৰ্যন্ত পোৱা নগ'ল। বিগত প্ৰায় ৩ মাহ ধৰি উক্ত কামত নিয়োজিত বিভাগীয় ক্ষেত্ৰ পৰ্যায়ৰ বিষয়া-কৰ্মচাৰী সকলে ঘৰে-ঘৰে গৈ বিচৰা সত্ত্বেও উক্ত হিতাধিকাৰী সকলৰ শুংসূত্ৰ পোৱা নগ'ল। সেয়েহে, তেওঁলোকৰ জ্ঞাতাৰ্থে জনোৱা হয় যে আগন্তক ইংৰাজী **১৫-০৭-২০২৩ তাৰিখ বিয়লি ৫ বজাৰ** ভিতৰত উপায়ুক্ত কাৰ্যালয়, নগাওঁৰ ১৯ নং কক্ষ (বিকেন্দ্ৰীকৃত পৰিকল্পনা আৰু উন্নয়ন শাখা)ত তেওঁলোকে সোশৰীৰে আহি নিজৰ নিজৰ স্ব-ঘোষিত শপতনামাখন স্বাক্ষৰ কৰি নিদিলে, অসম চৰকাৰৰ বিত্ত বিভাগৰ উপৰোক্ত চিঠিখনৰ নিৰ্দেশনা অনুযায়ী তেওঁলোকৰ নাম অৰুণোদয় ২.০ হিতাধিকাৰী তালিকাৰ পৰা কৰ্তন কৰি তেওঁলোকৰ ঠাইত নতুন হিতাধিকাৰীৰ নাম অন্তৰ্ভুক্ত কৰা হ'ব।

Signed by Debahuti Bora
Date: 12-07-2023 19:33:27

সংলগ্নঃ- উপোৰোক্ত উল্লেখ কৰা ধৰণে

**অতিৰিক্ত উপায়ুক্ত তথা**
**নডেল বিষয়া, অৰুণোদয়,**
**নগাওঁ**

মেমো নং:- ই-১৯৩৬২/২০২৩/২০৬ - (ক) তাং:- ১২-০৭-২০২৩

**প্ৰতিলিপি:-**

১) নগাওঁ জিলাৰ মাননীয় বিধায়ক (সকলো বিধানসভা সমষ্টি) আৰু ডি এল এম চি (DLMC) ৰ মাননীয় সদস্যসকলৰ জ্ঞাতাৰ্থে ও বিহীতাৰ্থে প্ৰেৰণ কৰা হ'ল।

২) মাননীয় মুখ্য কাৰ্যবাহী বিষয়া, নগাওঁ জিলা পৰিষদৰ জ্ঞাতাৰ্থে প্ৰেৰণ কৰা হ'ল।

৩) মাননীয় জিলা উন্নয়ন আয়ুক্ত, নগাওঁৰ জ্ঞাতাৰ্থে প্ৰেৰণ কৰা হ'ল।

৪) নগাওঁ জিলাৰ সকলো পৌৰসভাৰ কাৰ্যবাহী বিষয়াৰ জ্ঞাতাৰ্থে প্ৰেৰণ কৰা হ'ল। উক্ত জাননী আৰু সংশ্লিষ্ট তালিকাখন নিজৰ কাৰ্যালয়ৰ জাননী ফলকত আঁৰি দিবলৈ অনুৰোধ কৰা হ'ল।

৫) নগাওঁ জিলাৰ সকলো খণ্ড উন্নয়ন বিষয়া (মৈৰাবাৰী আৰু দলংঘাট উন্নয়ন খণ্ডৰ মৰিগাওঁ জিলাৰ অন্তৰ্গত গাওঁ পঞ্চায়ত সমূহক সাঙুৰি) জ্ঞাতাৰ্থে প্ৰেৰণ কৰা হ'ল। উক্ত জাননী আৰু সংশ্লিষ্ট তালিকাখন নিজৰ কাৰ্যালয়ৰ জাননী ফলকত আঁৰি দিবলৈ অনুৰোধ কৰা হ'ল।

৬) নগাওঁ জিলাৰ সকলো সংহত শিশু উন্নয়ন প্ৰকল্পৰ শিশু উন্নয়ন প্ৰকল্প বিষয়াৰ জ্ঞাতাৰ্থে প্ৰেৰণ কৰা হ'ল। উক্ত জাননী আৰু সংশ্লিষ্ট তালিকাখন নিজৰ কাৰ্যালয়ৰ জাননী ফলকত আঁৰি দিবলৈ অনুৰোধ কৰা হ'ল।

৭) মাননীয় উপায়ুক্ত মহোদয়, নগাওঁৰ জ্ঞাতাৰ্থে তেখেতৰ ব্যক্তিগত সহায়কলৈ প্ৰেৰণ কৰা হ'ল।

৮) উপায়ুক্ত কাৰ্যালয়, নগাওঁৰ জাননী ফলক।

***ই-স্বাক্ষৰিত***
**অতিৰিক্ত উপায়ুক্ত তথা**
**নডেল বিষয়া, অৰুণোদয়,**
**নগাওঁ**